জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩৫/২০২০

# ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সমাজকৰ্মীৰ সৈতে মুখ্যমন্ত্ৰীৰ টেলিফোন যোগে বাৰ্তালাপ

## তৃতীয় পৰ্যায়ৰ লক ডাউনৰ সময়ছোৱাত জনসাধাৰণক সামাজিক দূৰত্ব বৰ্তাই ৰখা তথা স্বাস্থ্য সন্মত বিধি-বিধান মানি চলা সম্পৰ্কত সজাগ আৰু সচেতন কৰাৰ বাবে অগ্ৰণী ভূমিকা পালন কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৪ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যখনৰ সামাজিক উন্নয়ন, জনজাতি উন্নয়ন, যুৱ কল্যাণ, মহিলা সৱলীকৰণ, সমবায় খণ্ডৰ উন্নয়ন আৰু আন্তঃৰাজ্যিক সীমান্তত শান্তি আৰু সম্প্ৰীতি বজাই ৰখাৰ দিশত উল্লেখযোগ্য বৰঙণি যোগাই অহা কেইগৰাকীমান অগ্ৰণী ব্যক্তিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি বিভিন্ন বিষয় সম্পৰ্কত আলোচনা কৰে।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে দেশত আৰম্ভ হোৱা তৃতীয় পৰ্যায়ৰ লক ডাউনৰ সময়ছোৱাত জনসাধাৰণক সামাজিক দূৰত্ব বৰ্তাই ৰখা তথা স্বাস্থ্য সন্মত বিধি-বিধান মানি চলা সম্পৰ্কত সজাগ আৰু সচেতন কৰাৰ বাবে অগ্ৰণী ভূমিকা পালন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিশিষ্ট ব্যক্তিসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে এই সময়ছোৱাত জনসাধাৰণৰ মনোবল বৃদ্ধিৰ বাবে উদ্বুদ্ধ কৰাৰ বাবেও আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে আজি ডাঃ মালতি বৰুৱা, শশীকান্ত চৌথাইৱালে, শংকৰ দাস কলিতা, নিৰ্মলেন্দু দে, ভূপেশ শৰ্মা, পুৰন্দৰ বৰুৱা, খগেন শইকীয়া, যোগেশ শাস্ত্ৰী, শ্ৰীশ্ৰী কৃষ্ণ ভীড়ে, সন্দীপ কৰিশ্বৰ, ব্ৰহ্মাজী ৰাও, পৱন তিৱাৰী, ড° নিৰ্মল বৰুৱা, কুলেন্দ্ৰ কুমাৰ ভাগৱতী, নিৰৱ ঘেলানী, গণেশ কুণ্ডে, প্ৰদীপ কুমাৰ, পি সূৰ্য্যনাৰায়ন, ৰমেন শৰ্মা, বিপুল ডেকা, মৃনাল লস্কৰ, সুৰেন্দ্ৰ নাথ কলিতা, ভৰেন সিং বসুমতাৰী আৰু যোগেশ্বৰ গোস্বামীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ / প্ৰঃকুঃবঃ**
**৪/৫/২০২০**